**Signature and Name of Invigilator**

1. (Signature) ______________________

   (Name) ______________________

2. (Signature) ______________________

   (Name) ______________________

**Answer Sheet No. :** ..............................................

(To be filled by the Candidate)

**Roll No.** | | | | | | | |

(In figures as per admission card)

**Roll No.** ______________________

(In words)

**Test Booklet No.**

**J—3607**

**PAPER—II**

# ASSAMESE

**Time : 1¼ hours]** **[Maximum Marks : 100**

Number of Pages in this Booklet : **16** Number of Questions in this Booklet : **50**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of fifty multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   - (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   - (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the question booklet will be replaced nor any extra time will be given.**
   - (iii) After this verification is over, the Serial No. of the booklet should be entered in the Answer-sheets and the Serial No. of Answer Sheet should be entered on this Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the oval as indicated below on the correct response against each item.

   **Example :** (A) (B) ⬤ (D)

   where (C) is the correct response.
5. Your responses to the items are to be indicated in the Answer Sheet given **inside the Paper I booklet only**. If you mark at any place other than in the ovals in the Answer Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your name or put any mark on any part of the test booklet, except for the space allotted for the relevant entries, which may disclose your identity, you will render yourself liable to disqualification.
9. You have to return the test question booklet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is NO negative marking.**

## परीक्षार्थियों के लिए निर्देश

1. पहले पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए।
2. इस प्रश्न-पत्र में पचास बहुविकल्पीय प्रश्न हैं।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी। पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे जिसकी जाँच आपको अवश्य करनी है :
   - (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें। खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें।
   - (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं। दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें। इसके लिए आपको पाँच मिनट दिये जायेंगे। उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा।**
   - (iii) इस जाँच के बाद प्रश्न-पुस्तिका की क्रम संख्या उत्तर-पत्रक पर अंकित करें और उत्तर-पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं। आपको सही उत्तर के दीर्घवृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है।

   **उदाहरण :** (A) (B) ⬤ (D)

   जबकि (C) सही उत्तर है।
5. प्रश्नों के उत्तर **केवल प्रश्न पत्र I के अन्दर दिये गये** उत्तर-पत्रक पर ही अंकित करने हैं। यदि आप उत्तर पत्रक पर दिये गये दीर्घवृत्त के अलावा किसी अन्य स्थान पर उत्तर चिन्हांकित करते है, तो उसका मूल्यांकन नहीं होगा।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें।
8. यदि आप उत्तर-पुस्तिका पर अपना नाम या ऐसा कोई भी निशान जिससे आपकी पहचान हो सके, किसी भी भाग पर दर्शाते या अंकित करते हैं तो परीक्षा के लिये अयोग्य घोषित कर दिये जायेंगे।
9. आपको परीक्षा समाप्त होने पर उत्तर-पुस्तिका निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद अपने साथ परीक्षा भवन से बाहर न लेकर जायें।
10. **केवल नीले/काले बाल प्वाईंट पैन का ही इस्तेमाल करें।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है।**
12. **गलत उत्तर के लिए अंक नहीं काटे जायेंगे।**

# ASSAMESE

# অসমীয়া

## PAPER – II

## প্ৰশ্নকাকত – II

**Note :** This paper contains **fifty** (50) objective-type questions, each question carrying **two** (2) marks. Attempt **all** of them.

**টোকা ঃ** এই প্ৰশ্ন-কাকতত বহু-বিকল্পীয় (50) (পঞ্চাছ)টা প্ৰশ্ন আছে। প্ৰতিটো প্ৰশ্নৰ মূল্যাংক (2) (দুই)। উত্তৰ পত্ৰত শুদ্ধ উত্তৰটো চিহ্নিত কৰা। সকলো প্ৰশ্নৰ উত্তৰ কৰিবা।

**তলৰ 1 ৰ পৰা 20 লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ তলত A, B, C, D চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে। তাৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা।**

1. কোনজন চৰ্যাকাৰ কামৰূপৰ?

   (A) কাহ্নু পাদ (B) কুক্কুৰী পাদ (C) মীননাথ (D) ভু সুকু পাদ

2. শূন্য পুৰাণ কোন দেৱতাৰ পূজাৰ পুথি?

   (A) সূৰ্য (B) গণেশ (C) বিষ্ণু (D) ধৰ্ম

3. 'ভাগৱত-ভাৱাৰ্থ-দীপিকা'ৰ প্ৰণেতা

   (A) ব্যাসদেৱ (B) শংকৰদেৱ (C) শ্ৰীধৰ স্বামী (D) ৰামানুজ

4. শংকৰদেৱে ৰচনা কৰিছিল

   (A) ভক্তি বিৱেক (B) ভক্তি ৰত্নাৱলী (C) ভক্তি প্ৰদীপ (D) ভক্তি ৰত্নসাৰ

5. 'নামমালিকা' পুথিৰ ৰচক

   (A) শংকৰদেৱ (B) মাধৱদেৱ (C) গোপালদেৱ (D) ভট্টদেৱ

6. 'গীতি ৰামায়ণ'ৰ ৰচক

   (A) মাধৱ কন্দলি (B) অনন্ত কন্দলি (C) দুৰ্গাবৰ কায়স্থ (D) মাধৱদেৱ

7. 'গীত-গোৱিন্দ' পুথিৰ অনুবাদক

   (A) জয়দেৱ (B) গোপালদেৱ (C) ৰাম সৰস্বতী (D) হেম সৰস্বতী

8. ‘চাহাপৰী উপাখ্যান’ৰ ৰচক

(A) দ্বিজ ৰাম (B) সুকুমাৰ বৰকাথ
(C) কবিৰত্ন দ্বিজ (D) কবিৰাজ চক্ৰৱৰ্তী

9. অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণ প্ৰণেতা

(A) হেমচন্দ্ৰ বৰুৱা (B) নাথান ব্ৰাউন (C) উইলিয়াম ৰবিন্সন (D) সত্যনাথ বৰা

10. ‘হেমকোষ’ৰ প্ৰথম প্ৰকাশৰ চন

(A) 1899 (B) 1900 (C) 1901 (D) 1902

11. ‘Studies in Sino-Tibetan’ গ্ৰন্থৰ প্ৰণেতা

(A) গোলোক চন্দ্ৰ গোস্বামী (B) প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য
(C) সত্যেন্দ্ৰনাৰায়ণ গোস্বামী (D) সুকুমাৰ বিশ্বাস

12. লক্ষ্মীনাথ বেজবৰুৱাৰ এখন কবিতাৰ পুথি

(A) কেহোঁকলি (B) কদমকলি (C) ফুলকলি (D) ফুলনি

13. ‘পঃৰাগ’ উৎসৱ পালন কৰা সম্প্ৰদায়

(A) কাৰ্বি (B) মিচিং (C) বড়ো (D) তিৱা

14. যতীন্দ্ৰনাথ দুৱৰাৰ ‘মিলনৰ সুৰ’

(A) মৌলিক কবিতা (B) অনুবাদ কবিতা (C) কথা-কবিতা (D) শোক কবিতা

15. ‘বিশ্ব সাহিত্য’ শব্দটো প্ৰথম প্ৰয়োগ কৰোঁতা

(A) বংকিম চন্দ্ৰ (B) ঋষি অৰবিন্দ
(C) ৰবীন্দ্ৰনাথ ঠাকুৰ (D) সুনীতি কুমাৰ চট্টোপাধ্যায়

16. ‘উঝন্তি’ নামৰ অলংকাৰবিধ পিন্ধা হয়

(A) কাণত (B) ডিঙিত
(C) হাতৰ আঙুলিত (D) ভৰিৰ আঙুলিত

17. ‘কবিতা হ’ল স্মৰণীয় বাক্য’, এই বুলি কোৱা কবিজন আছিল

(A) মেথিউ আৰ্নল্ড (B) ক’লৰিজ (C) ৱৰ্ডছৱৰ্থ (D) অ’ডেন

18. ‘সাহিত্য-দৰ্পণ’ গ্ৰন্থখনৰ ৰচয়িতা হ’ল

(A) বিশ্বনাথ কবিৰাজ (B) বিশ্বনাৰায়ণ শাস্ত্ৰী

(C) তীৰ্থনাথ শৰ্মা (D) মনোৰঞ্জন শাস্ত্ৰী

19. ‘খেৰাই পূজা’ত ব্যৱহৃত অপৰিহাৰ্য গছ হ’ল

(A) বেল গছ (B) নিম গছ (C) কল গছ (D) সিজু গছ

20. দেওধনী নৃত্যৰ লগত সম্পৰ্ক থকা পূজা ভাগ হ’ল

(A) শিৱ পূজা (B) শক্তি পূজা (C) মাৰৈ পূজা (D) ধৰ্ম পূজা

**তলৰ 21 ৰ পৰা 30 লৈ দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি বা কাৰ্যকাৰণ নিৰ্ণয় কৰি A, B, C আৰু D চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে। তাৰেপৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰা।**

21. অসমীয়া ভাষাৰ উচ্চাৰণত হ্ৰস্ব আৰু দীৰ্ঘ স্বৰ ধ্বনিৰ মাজত পাৰ্থক্য নাই। কাৰণ—

(A) সংস্কৃতৰ সৰলীভৱন (B) তিব্বতধৰ্মী ভাষাৰ প্ৰভাৱ

(C) খাচী ভাষাৰ প্ৰভাৱ (D) মিছনেৰীসকলৰ আখৰ জোঁটনিৰ প্ৰভাৱ।

22. ‘মন মেৰি ৰাম চৰনহি লাগু’— গীতটি শঙ্কৰদেৱে ব্ৰজবুলি ভাষাত ৰচনা কৰিছিল কিয়?

(A) পূৰ্ব কবিসকলতকৈ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিবলৈ,

(B) থলুৱালোকে সহজে বুজি পাবলৈ,

(C) নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰতি বিভিন্ন ভাষা-ভাষীলোকক আকৰ্ষণ কৰিবলৈ,

(D) পূৰ্বকবি মাধৱ কন্দলিক অনুসৰণ কৰিবলৈ।

23. নামঘোষাক মাধৱদেৱৰ শ্ৰেষ্ঠ ৰচনা আখ্যা দিয়া হয়; কিয়?

(A) নামঘোষা মাধৱদেৱৰ এহেজাৰ ঘোষাৰ সমষ্টি,

(B) নামঘোষা মাধৱদেৱৰ ভক্তি প্ৰধান শ্লোকৰ অনুবাদ,

(C) নামঘোষা বিবিধ ছন্দৰে পৰিপূৰ্ণ গ্ৰন্থ,

(D) নামঘোষা মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ পূৰ্ণ প্ৰকাশ।

24. আধুনিক অসমীয়া ভাষা-সাহিত্যৰ পুনৰ প্ৰতিষ্ঠাত 'অৰুণোদই'ৰ অৱদান অনস্বীকাৰ্য বুলি ক'ব পাৰি, কিয়নো—

(A) অসমীয়া ভাষাক নতুন গঢ় দি আধুনিক অসমীয়া সাহিত্য-ক্ষেত্ৰ প্ৰতিষ্ঠা কৰিছিল।

(B) অসমীয়া আখৰ জোঁটনিত নতুন পদ্ধতি প্ৰয়োগ কৰিছিল।

(C) পুৰণি অসমীয়া বুৰঞ্জী প্ৰকাশ কৰিছিল।

(D) পাশ্চাত্য ভাবধাৰা কঢ়িয়াই আনিছিল।

25. ভাষাবিজ্ঞানক বিজ্ঞান বোলাৰ কাৰণ কি?

(A) ভাষাৰ উচ্চাৰণ সম্পৰ্কে অধ্যয়ন কৰা হয়

(B) ভাষাৰ প্ৰণালীবদ্ধ অধ্যয়ন কৰা হয়

(C) ভাষাৰ শব্দ সম্পৰ্কে অধ্যয়ন কৰা হয়

(D) ভাষাৰ বাক্যৰীতি সম্পৰ্কে অধ্যয়ন কৰা হয়।

26. 'জীৱনৰ বাটত' উপন্যাসখনক অসমীয়া উপন্যাস সাহিত্যৰ ইতিহাসত মাইলৰ খুঁটি আখ্যা দিয়া হয়; কিয়?

(A) অসমীয়া সমাজ জীৱনৰ বহিঃপ্ৰকাশ,

(B) অসমীয়া গ্ৰাম্য জীৱনৰ আভ্যন্তৰীণ প্ৰকাশ,

(C) অসমীয়া জীৱনৰ মহাকাব্যধৰ্মী নান্দনিক প্ৰকাশ,

(D) অসমীয়া সমাজ জীৱনৰ প্ৰকাশ।

27. অসমীয়া সংস্কৃতিক সমন্বয়ৰ সংস্কৃতি বুলি কোৱা হয়। কাৰণ—

(A) মঙ্গোলীয় সংস্কৃতিৰ সমাবেশ ঘটিছে,

(B) অষ্ট্ৰিক সংস্কৃতিৰ উপাদান সোমাই আছে,

(C) আৰ্য আৰু আৰ্যভিন্ন সংস্কৃতিৰ সংমিশ্ৰণ ঘটিছে,

(D) আৰ্য সংস্কৃতিৰ উপাদান আছে।

28. দেৱকান্ত বৰুৱাক যুগসন্ধিৰ কবি বুলি কোৱা হয়। কিয়নো—

(A) বিষয়বস্তুৰ বৈচিত্ৰ্যৰ প্ৰকাশ ঘটিছে।

(B) ৰোমান্টিক আৰু আধুনিক ভাব আৰু আঙ্গিকৰ সংমিশ্ৰণ ঘটিছে।

(C) আধুনিক ভাবধাৰাৰ সমাবেশ ঘটিছে।

(D) নতুন প্ৰকাশভঙ্গী আৰু শব্দৰ প্ৰয়োগ ঘটিছে।

29. সাম্প্ৰতিক অসমীয়া কবিতাৰ জনপ্ৰিয়তাৰ কাৰণ—

(A) কবিতা ৰচনাৰ সংখ্যা বাঢ়িছে

(B) তুলনামূলকভাৱে আগতকৈ সহজবোধ্য হৈছে

(C) পাঠকৰ সংখ্যা বাঢ়িছে

(D) কবিতাত পুৰস্কাৰৰ সংখ্যা বাঢ়িছে।

30. জগজন জীৱন অজন জনাৰ্দন

দনুজদমন দুঃখহাৰী।

মোহদানন্দ কন্দ পৰমানন্দ

নন্দ নন্দন বনচাৰী।।

ওপৰৰ কবিতাফাঁকিত ব্যৱহৃত অলঙ্কাৰটোৰ নাম লিখা।

(A) উপমা (B) অনুপ্ৰাস (C) ৰূপক (D) উৎপেক্ষা

**তলৰ 31 ৰ পৰা 38 লৈ দিয়া প্ৰশ্নসমূহৰ প্ৰতিটো প্ৰশ্নতে উল্লেখ কৰা আলোচনী পুথি/লেখক/নৃগোষ্ঠীসমূহৰ যথাক্ৰমে প্ৰকাশন/জন্ম/প্ৰব্ৰজন সময় অনুসৰি একাদিক্ৰমে তালিকাৰদ্ধ কৰি A, B, C আৰু D চাৰিটা বিকল্প দিয়া হৈছে। তাৰেপৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰা ঃ**

31. (i) দুৰ্গাবৰ কায়স্থ

(ii) সুকবি নাৰায়ণদেৱ

(iii) পীতাম্বৰ

(iv) মনকৰ

(A) (i), (iv), (iii), (ii)
(B) (iii), (iv), (i), (ii)
(C) (iv), (i), (ii), (iii)
(D) (ii), (iv), (iii), (i)

32. (i) তাম্ৰধ্বজৰ যুদ্ধ

(ii) অশ্বকৰ্ণ বধ

(iii) লৱকুশৰ যুদ্ধ

(iv) বব্ৰুবাহনৰ যুদ্ধ

(A) (ii), (iv), (i), (ii)
(B) (i), (ii), (iii), (iv)
(C) (iv), (ii), (iii), (i)
(D) (iii), (iv), (i), (ii)

33. (i) জোনাকী
(ii) বাঁহী
(iii) বিজুলী
(iv) ঊষা

(A) (iii), (ii), (iv), (i) (B) (iv), (i), (ii), (iii)
(C) (i), (iii), (iv), (ii) (D) (ii), (iv), (iii), (i)

34. (i) Assamese, its Formation and Development
(ii) A Few Remarks on the Assamese Language
(iii) Grammatical Notices on the Assamese Language
(iv) A Grammar of the Assamese Langugage

(A) (iv), (iii), (ii), (i) (B) (i), (ii), (iii), (iv)
(C) (iii), (ii), (i), (iv) (D) (ii), (iii), (iv), (i)

35. (i) মহাৰাষ্ট্ৰী প্ৰাকৃত
(ii) লৌকিক সংস্কৃত
(iii) অৱহট্‌ঠ
(iv) মাগধী অপভ্ৰংশ

(A) (i), (iii), (iv), (ii) (B) (ii), (i), (iv), (iii)
(C) (iii), (i), (ii), (iv) (D) (iv), (i), (iii), (ii)

36. (i) গুপ্ত লিপি
(ii) ব্ৰাহ্মী লিপি
(iii) কুটিল লিপি
(iv) কুষাণ লিপি

(A) (ii), (iv), (i), (iii) (B) (iii), (i), (ii), (iv)
(C) (i), (iii), (iv), (ii) (D) (iv), (i), (ii), (iii)

37. (i) পিতাপুত্ৰ

(ii) সূৰুযমুখীৰ স্বপ্ন

(iii) মৃত্যুঞ্জয়

(iv) সাধনা

(A) (iii), (ii), (iv), (i) (B) (iv), (ii), (i), (iii)

(C) (i), (iii), (ii), (iv) (D) (ii), (iii), (iv), (i)

38. (i) নতুন কবিতা

(ii) কুৰি শতিকাৰ অসমীয়া কবিতা

(iii) আধুনিক অসমীয়া কবিতা

(iv) অসমীয়া প্ৰেমৰ কবিতা

(A) (i), (iii), (ii), (iv) (B) (ii), (iv), (i), (iii)

(C) (iii), (i), (ii), (iv) (D) (iv), (iii), (ii), (i)

**তলৰ 39 ৰ পৰা 45 লৈ দিয়া প্ৰশ্নসমূহত 'ক' স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা 'খ' স্তম্ভত দিয়া বিষয়সমূহক মিলাই A, B, C আৰু D এই চাৰিটা বিকল্প দেখুওৱা হৈছে। তাৰেপৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰা।**

39.

| | স্তম্ভ (ক) | | স্তম্ভ (খ) |
|---|---|---|---|
| (i) | অসমৰ লোক সংস্কৃতি | 1. | আব্দুছ ছাত্তাৰ |
| (ii) | অসমৰ সংস্কৃতি | 2. | বিৰিঞ্চি কুমাৰ বৰুৱা |
| (iii) | সংমিশ্ৰণত অসমীয়া সংস্কৃতি | 3. | যোগেশ দাস |
| (iv) | অসমৰ জনকৃষ্টি | 4. | লীলা গগৈ |
| | | 5. | প্ৰফুল্ল দত্ত গোস্বামী |

| | i | ii | iii | iv |
|---|---|---|---|---|
| (A) | 3 | 1 | 2 | 4 |
| (B) | 2 | 4 | 1 | 3 |
| (C) | 1 | 3 | 2 | 4 |
| (D) | 4 | 1 | 3 | 2 |

40. স্তম্ভ (ক) স্তম্ভ (খ)

| | স্তম্ভ (ক) | | স্তম্ভ (খ) |
|---|---|---|---|
| (i) | মহেশ্বৰ নেওগ | 1. | যুগ-নায়ক শংকৰদেৱ |
| (ii) | লক্ষ্মীনাথ বেজবৰুৱা | 2. | মহাপুৰুষ শংকৰদেৱ |
| (iii) | ডিম্বেশ্বৰ নেওগ | 3. | শ্ৰী শ্ৰী শংকৰদেৱ |
| (iv) | বাপচন্দ্ৰ মহন্ত | 4. | শংকৰদেৱ |
| | | 5. | শ্ৰী শংকৰদেৱ |

| | i | ii | iii | iv |
|---|---|---|---|---|
| (A) | 2 | 1 | 4 | 5 |
| (B) | 4 | 2 | 3 | 4 |
| (C) | 1 | 3 | 2 | 4 |
| (D) | 3 | 5 | 1 | 2 |

41. স্তম্ভ (ক) স্তম্ভ (খ)

| | স্তম্ভ (ক) | | স্তম্ভ (খ) |
|---|---|---|---|
| (i) | ৰঘুনাথ চৌধাৰী | 1. | ধ্বনি কবি |
| (ii) | ৰত্নকান্ত বৰকাকতি | 2. | ভাঙনি কবি |
| (iii) | প্ৰসন্নলাল চৌধুৰী | 3. | বিহগী কবি |
| (iv) | বিনন্দ চন্দ্ৰ বৰুৱা | 4. | বিদ্ৰোহী কবি |
| | | 5. | শেৱালি কবি |

| | i | ii | iii | iv |
|---|---|---|---|---|
| (A) | 3 | 5 | 4 | 1 |
| (B) | 2 | 4 | 5 | 3 |
| (C) | 1 | 3 | 2 | 4 |
| (D) | 4 | 2 | 1 | 5 |

42. স্তম্ভ (ক) স্তম্ভ (খ)

| | স্তম্ভ (ক) | | স্তম্ভ (খ) |
|---|---|---|---|
| (i) | ধন্য নৰ তনু ভাল | 1. | লক্ষ্মীনন্দন বৰা |
| (ii) | যাকেৰি নাহিকে উপাম | 2. | মেদিনী চৌধুৰী |
| (iii) | বগুকা বেহাৰ | 3. | চন্দ্ৰপ্ৰসাদ শইকীয়া |
| (iv) | তোৰে মোৰে আলোকৰে যাত্ৰা | 4. | চৈয়দ আব্দুল মালিক |
| | | 5. | নিৰুপমা বৰগোহাঞি |

| | i | ii | iii | iv |
|---|---|---|---|---|
| (A) | 3 | 5 | 4 | 1 |
| (B) | 2 | 3 | 1 | 4 |
| (C) | 1 | 2 | 3 | 5 |
| (D) | 4 | 1 | 2 | 3 |

43. স্তম্ভ (ক) স্তম্ভ (খ)

| | স্তম্ভ (ক) | | স্তম্ভ (খ) |
|---|---|---|---|
| (i) | শীলভদ্ৰ | 1. | কমলেশ্বৰ চলিহা |
| (ii) | কচ | 2. | প্ৰফুল্ল দত্ত গোস্বামী |
| (iii) | প্ৰমী | 3. | ধীৰেন্দ্ৰ নাথ বৰঠাকুৰ |
| (iv) | উপগুপ্ত | 4. | ৰেৱতী মোহন দত্ত চৌধুৰী |
| | | 5. | নগেন শইকীয়া |

| | i | ii | iii | iv |
|---|---|---|---|---|
| (A) | 3 | 4 | 5 | 1 |
| (B) | 2 | 3 | 4 | 5 |
| (C) | 1 | 2 | 3 | 4 |
| (D) | 4 | 1 | 2 | 3 |

44. স্তম্ভ (ক) স্তম্ভ (খ)

| | স্তম্ভ (ক) | | স্তম্ভ (খ) |
|---|---|---|---|
| (i) | ৰক্ষকুমাৰ | 1. | সাৰদা বৰদলৈ |
| (ii) | নৰকাসুৰ | 2. | মিত্ৰদেৱ মহন্ত |
| (iii) | বৈদেহী বিয়োগী | 3. | অতুল চন্দ্ৰ হাজৰিকা |
| (iv) | মগৰীবৰ আজান | 4. | সত্যপ্ৰসাদ বৰুৱা |
| | | 5. | লক্ষ্যধৰ চৌধুৰী |

| | i | ii | iii | iv |
|---|---|---|---|---|
| (A) | 4 | 2 | 3 | 5 |
| (B) | 5 | 3 | 2 | 1 |
| (C) | 3 | 4 | 1 | 2 |
| (D) | 2 | 1 | 4 | 3 |

45.

| | স্তম্ভ (ক) | | স্তম্ভ (খ) |
|---|---|---|---|
| (i) | সত্যেন্দ্ৰনাথ শৰ্মা | 1. | নাট্য-সাহিত্যৰ জিলিঙনি |
| (ii) | হৰিচন্দ্ৰ ভট্টাচাৰ্য | 2. | নাটক আৰু অভিনয় প্ৰসংগ |
| (iii) | সত্যপ্ৰসাদ বৰুৱা | 3. | অসমীয়া নাট্য-সাহিত্য |
| (iv) | ৰাম গোস্বামী | 4. | মঞ্চ লেখা |
| | | 5. | লোক-নাট্য পৰম্পৰা |

| | i | ii | iii | iv |
|---|---|---|---|---|
| (A) | 3 | 1 | 2 | 5 |
| (B) | 4 | 3 | 1 | 2 |
| (C) | 2 | 4 | 3 | 1 |
| (D) | 1 | 2 | 4 | 3 |

**তলৰ গদ্যখণ্ড পঢ়ি তাৰ তলত 45 ৰ পৰা 50 লৈ দিয়া প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰটো চিহ্নিত কৰা।**

ভাৰতীয় সাহিত্যৰ ভাৰতীয়ত্ব নিৰ্মাণৰ ক্ষেত্ৰত অতি উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে মহাকাব্য দুখনে। আঞ্চলিক সাহিত্যৰ যোগেদি চুকে-কোণে বিয়পি পৰা ৰামায়ণৰ আঞ্চলিক ৰূপত স্থানীয় মনোৰঞ্জনৰ বিবিধ উপাদান সংযোজিত হ'লেও একেই আবেদন আৰু প্ৰেৰণাৰে ই ভাৰতীয় সাহিত্যৰ মূল শক্তি ৰূপে কাম কৰি আহিছে, ভাৰতীয় মনৰ চিন্তা আৰু শক্তি বহুখিনি নিয়ন্ত্ৰণ কৰিছে। মহাভাৰতৰ পল্লৱিত ৰূপে ভাৰতীয় সাহিত্যত বিবিধ কাহিনী, উপকাহিনী আৰু সিবোৰৰ আশ্ৰিত খণ্ড-সাহিত্যৰ সৃষ্টি কৰিছে। এইবোৰৰ মাজত একোটা ভাৰতীয় মনৰ প্ৰকাশ সুস্পষ্ট। মহাকাব্য দুখনৰ বাহিৰেও জাতক, পুৰাণ, লোক-সাহিত্য আৰু সংগীত শাস্ত্ৰৰ ঐশ্বৰ্যময় পৰম্পৰাই ভাৰতীয় সাহিত্যৰ অভ্যন্তৰত এক অখণ্ড সত্ত্বা দান কৰিছে।

আধুনিক কালৰ ভাৰতীয় সাহিত্যৰ এক উমৈহতীয়া লক্ষণ হ'ল পাশ্চাত্য-সাহিত্যৰ প্ৰতি সচেতনতা। আধুনিক ভাৰতীয় সাহিত্যৰ প্ৰতিটো আঞ্চলিক ৰূপতে পাশ্চাত্যৰ প্ৰভাৱত এক নৱজাগৰণৰ সৃষ্টি হৈছিল। নৱজাগৰণৰ ফলত জাগি উঠা ৰোমাণ্টিক চেতনা আৰু তাৰো পিছত সৃষ্টি হোৱা আধুনিক দৃষ্টিভংগীৰ আঁৰত পাশ্চাত্যৰ যি অনুপ্ৰেৰণা আছে, সি ভাৰতীয় সাহিত্যৰ এক বিভিন্ন আঞ্চলিক ৰূপৰ মাজত একে ধৰণৰ এক চিন্তাধাৰাৰ জন্ম দিছে।

ভাৰতীয় সাহিত্যৰ ঘাই লক্ষণ আধ্যাত্মিকতা বুলি ভবা হ'লেও কেৱল ধৰ্মীয়-চিন্তা আৰু ধৰ্ম-তত্ত্বতে ভাৰতীয় সাহিত্য মগ্ন হৈ থকা নাই। বৈৰাগ্য আৰু ভোগ, ত্যাগ আৰু গ্ৰহণ, দুয়োটাই ভাৰতীয় সাহিত্যত আছে। বৌদ্ধধৰ্মৰ নিৰ্বাণ লাভৰ আকাংক্ষা আৰু গীতাৰ কৰ্মযোগ ভাৰতীয় মানুহৰ মনত, আৰু মনৰপৰা সাহিত্যত সোমাই আছে। সকলোৰে মূলতে থকা ভাৰতীয় মানুহৰ আধ্যাত্মিক দৃষ্টিভংগী, অন্তৰ্দৃষ্টি আৰু মানসিকতাৰ সদৃশ গঠনে ভাৰতীয় সাহিত্যৰ মাজত এক ভাৰতীয়ত্বৰ প্ৰকাশ ঘটাইছে। পশ্চিমৰ বাবে এই প্ৰকাশ নানা বিশিষ্ট গুণেৰে ভৰপূৰ আৰু তাতে আছে ভাৰতীয় সাহিত্যৰ পৰিচয়। সাধাৰণতে বৈৰাগ্যৰ উজ্জ্বল কবিতাবোৰৰ পৰা ভাৰতীয় সাহিত্যিক সংসাৰৰ প্ৰতি মোহহীন আৰু অসীমৰ সন্ধান কৰোঁতা বুলি এটা সাঁচ মাৰি দিয়া হয়। কিন্তু এই কথা পাহৰা উচিত নহ'ব যে ভাৰতীয় সাহিত্যত এক গভীৰ জীৱন-প্ৰীতিও আছে। ভাৰতীয় মনে জীৱন আৰু মৃত্যুক সমানে গ্ৰহণীয় বুলি মত প্ৰকাশ কৰে। মৃত্যুৰ মাজেদি প্ৰকাশিত হয় জীৱনৰ জয়গান। বেদৰ যুগৰপৰা ঋষি-মুনিৰ মনত জাগি উঠা জীৱন-জিজ্ঞাসা আৰু জীৱন-মৃত্যুৰ ৰহস্য-নিৰাময়ৰ সন্ধান ৰবীন্দ্ৰনাথৰপৰা

নলিনীবালালৈ, মহাদেৱী বৰ্মালৈ একেধৰণে প্ৰৱাহিত হৈছে। এয়ে হৈছে ভাৰতীয় সাহিত্য। চিন্তা আৰু ভাবনাৰ ঐতিহ্য কান্ধ বাগৰি আহি আছে উপনিষদৰপৰা ৰবীন্দ্ৰনাথ, ৰবীন্দ্ৰনাথৰপৰা নৰকান্ত বৰুৱালৈকে।

ভাৰতীয় সাহিত্যৰ মাজত অখণ্ড সাদৃশ্যৰ সৃষ্টি কৰা এক উপাদান হ'ল ভাৰতীয় ধাৰণাৰ সৌন্দৰ্যতত্ত্ব। সৌন্দৰ্য, ভাৰতীয় মনৰ বাবে এক আত্মিক উপলব্ধি। সময় বিশেষে সৌন্দৰ্য হ'ল আনন্দৰ নামান্তৰ। সৌন্দৰ্য মংগলময়। বাহ্যিক দৃষ্টিত ধুনীয়া বস্তু 'সুন্দৰ' হ'লেও সি সৎ আৰু মংগলময় নহ'বও পাৰে। কবি-শিল্পীয়ে মনৰ চকুৰে য'ত সুন্দৰত্ব আৰু মাংগলিকতা বিচাৰি পায় সেয়ে সুন্দৰ। অৰ্থাৎ, সৌন্দৰ্য নিৰ্ভৰ কৰে দ্ৰষ্টাৰ নাইবা গ্ৰহণ কৰোঁতাৰ অন্তৰ্দৃষ্টিৰ ওপৰত। সৌন্দৰ্যৰ গুৰিতে আছে এক সামঞ্জস্য। বস্তুজগত, তাৰ প্ৰতিফলন, চাওঁতাৰ অন্তৰ্দৃষ্টি আৰু গ্ৰহণৰ সুষম সামঞ্জস্যৰ ফলত সৌন্দৰ্যৰ সৃষ্টি হয়। গতিকে সৌন্দৰ্য এক সন্মিলিত প্ৰক্ৰিয়াৰ ফলত হোৱা অন্তৰ্জগতৰ অনুভৱ। ভাৰতীয় সাহিত্যত সৎ, চিৎ, আনন্দস্বৰূপ পৰমব্ৰহ্ম আৰু সত্য-শিৱ-সুন্দৰৰ মহিমা প্ৰকাশ কৰা হয়। সমগ্ৰ ভাৰতীয় সাহিত্যৰ মাজত ধৰ্মীয় চিন্তা নাইবা আধ্যাত্মিক উপলব্ধিৰ মাজেৰে প্ৰাচীন যুগৰপৰা এতিয়ালৈকে এক অবিচ্ছিন্ন সৌন্দৰ্যতত্ত্ব প্ৰকাশ পাইছে। এই সৌন্দৰ্যৰ ধাৰণা ভাৰতীয় কবিৰ নিজা। সাহিত্য-চেতনা, তেওঁলোকৰ বাবে অসীম আনন্দময়। ৰস-নিষ্পত্তিৰ যোগে এই আনন্দৰ উপলব্ধি হয়। কাব্যপাঠৰ আনন্দক ব্ৰহ্মানন্দৰ সহোদৰ বুলি কৰা উক্তিৰদ্বাৰা এই আনন্দক অতি উচ্চস্তৰৰ সন্মান দিয়া হৈছে।

বৈদান্তিক চিন্তাৰ পৰমব্ৰহ্মৰ ধাৰণা ভাৰতীয় সাহিত্যত বিয়পি আছে। সৃষ্টিৰ মূল শক্তিৰূপে ব্ৰহ্ম বিশ্বসংসাৰৰ কেন্দ্ৰবিন্দুত অৱস্থিত। ব্ৰহ্ম সকলোতে আছে— নানা নাম আৰু ৰূপেৰে। এই উপলব্ধি ভাৰতীয় সাহিত্যই নানা ঠাইত নানা ৰূপেৰে ব্যক্ত কৰিছে। পৰমব্ৰহ্মৰ আনন্দময় স্বৰূপৰ উপলব্ধি ভাৰতীয় আঞ্চলিক সাহিত্যত ভিন্ ভিন্ অৱলম্বনৰ যোগেদি প্ৰকাশ পাইছে। এই সাহিত্যসমূহৰ এটাৰ লগত আনটোৰ সংযোগ নাথাকিবও পাৰে, কিন্তু ব্ৰহ্মোপলব্ধি আৰু আনন্দ-চেতনাৰ সদৃশ অনুভৱৰ বাবে ইহঁত অখণ্ড ভাৰতীয় চেতনাৰ অংশীদাৰ হৈ পৰিছে। ভগৱানৰ মানৱী-লীলা আৰু প্ৰেমৰ মধুৰ ছবি; দাস্য, সখিত্ব, মাধুৰ্য আদি ভক্তিৰ প্ৰকাৰ ভাৰতীয় সাহিত্যত বিয়পি আছে। গ্ৰহণৰ প্ৰকাৰ বেলেগ বেলেগ; কিন্তু মূল ধাৰণা একেটাই— আত্মা আৰু পৰমাত্মাৰ সম্পৰ্ক। তাকে কেতিয়াবা ৰাধা-কৃষ্ণ, শিৱ-পাৰ্বতী, তিৰুপতি-বেদৱতীৰ প্ৰণয় কাহিনীৰ মাজেৰে ব্যক্ত কৰা হয়। কেতিয়াবা দাস্য ভক্তিৰ চৰম কাৰুণ্যৰে ফুটাই তোলা হয়। কেতিয়াবা প্ৰাণ-প্ৰিয়ৰ সন্ধানত আকুল ভক্ত কবিৰ আত্মসমৰ্পণৰ যোগেদি প্ৰকাশ কৰা হয়।

46. ভাৰতীয় সাহিত্যৰ ভাৰতীয়ত্ব নিৰ্মাণৰ ক্ষেত্ৰত অতি উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে মহাকাব্য দুখনে, কাৰণ—

(A) মহাভাৰতৰ পল্লৱিত ৰূপে ভাৰতীয় সাহিত্যত বিবিধ খণ্ড সাহিত্যৰ সৃষ্টি কৰিছে।

(B) মহাকাব্য দুখনে একেই আবেদন আৰু প্ৰেৰণাৰে ভাৰতীয় সাহিত্যৰ মূল শক্তি ৰূপে কাম কৰি আহিছে।

(C) আঞ্চলিক সাহিত্যৰ যোগেদি বিবিধ মনোৰঞ্জনৰ কাহিনী গঢ় লৈ উঠিছে।

(D) ভাৰতীয় মনৰ চিন্তা আৰু শক্তি বহুখিনি নিয়ন্ত্ৰণ কৰিছে।

47. আধুনিক ভাৰতীয় সাহিত্যৰ উমৈহতীয়া লক্ষণ হ'ল পাশ্চাত্য সাহিত্যৰ প্ৰতি সচেতনতা, কাৰণ—

(A) আধুনিক ভাৰতীয় সাহিত্যৰ প্ৰতিটো আঞ্চলিক ৰূপতে পাশ্চাত্য সাহিত্যই এক নৱজাগৰণৰ সৃষ্টি কৰিছিল।

(B) একে ধৰণৰ এক চিন্তাধাৰাৰ জন্ম দিছে।

(C) ৰোমাণ্টিক চেতনাই প্ৰভাৱ পেলাইছিল।

(D) আধুনিক দৃষ্টিভংগীৰ আঁৰত পাশ্চাত্যৰ প্ৰেৰণা আছিল।

48. ভাৰতীয় সাহিত্যৰ ঘাই লক্ষণ আধ্যাত্মিকতা হ'লেও কেৱল ধৰ্মীয় চিন্তা আৰু ধৰ্মতত্ত্বতে ভাৰতীয় সাহিত্য মগ্ন হৈ থকা নাই, কাৰণ—

(A) ভাৰতীয় সাহিত্যিক সংসাৰৰ প্ৰতি মোহহীন

(B) ভাৰতীয় সাহিত্যৰ চিন্তা আৰু ভাবনাৰ ঐতিহ্য কান্ধ বাগৰি আহি আছে

(C) ভাৰতীয় সাহিত্যৰ মাজত এক ভাৰতীয়ত্বৰ প্ৰকাশ ঘটিছে

(D) বৈৰাগ্য আৰু ভোগ, ত্যাগ আৰু গ্ৰহণ দুয়োটাই ভাৰতীয় সাহিত্যত আছে।

49. ভাৰতীয় সাহিত্যৰ মাজত অখণ্ড সাদৃশ্যৰ সৃষ্টি কৰা এক উপাদান হ'ল ভাৰতীয় ধাৰণাৰ সৌন্দৰ্যতত্ত্ব, কাৰণ—

(A) সৌন্দৰ্যৰ গুৰিতে আছে এক সামঞ্জস্য

(B) সাহিত্য-চেতনা ভাৰতীয় সাহিত্যিকৰ বাবে অসীম আনন্দময়

(C) ভাৰতীয় সাহিত্যৰ মাজত ধৰ্মীয় চিন্তা বা উপলব্ধিৰ মাজেৰে প্ৰাচীন যুগৰ পৰা এতিয়ালৈকে অবিচ্ছিন্ন সৌন্দৰ্যতত্ত্ব প্ৰকাশ পাইছে।

(D) চাওঁতাৰ অন্তৰ্দৃষ্টি আৰু গ্ৰহণৰ সুষম সামঞ্জস্যৰ ফলত সৌন্দৰ্যৰ সৃষ্টি হয়।

50. কাব্যপাঠৰ আনন্দক ব্ৰহ্মানন্দৰ সহোদৰ বোলা হয়, কাৰণ—

(A) সৃষ্টিৰ মূল শক্তিৰূপে ব্ৰহ্ম বিশ্ব সংসাৰৰ কেন্দ্ৰবিন্দুত অৱস্থিত

(B) পৰমব্ৰহ্মৰ আনন্দময় স্বৰূপৰ উপলব্ধি ভাৰতীয় আঞ্চলিক সাহিত্যত ভিন্ ভিন্ অৱলম্বনৰ যোগেদি প্ৰকাশ পাইছে।

(C) কাব্যপাঠৰ আনন্দ ব্ৰহ্মবোধৰ যোগেদি লাভ কৰা আনন্দৰ দৰেই ইন্দ্ৰিয়গ্ৰাহ্য আনন্দৰ উৰ্ধত

(D) এই উপলব্ধি ভাৰতীয় সাহিত্যই নানা ঠাইত নানা ৰূপেৰে ব্যক্ত কৰিছে।

- o 0 o -

**Space For Rough Work**